**3 SEM TDC ASM M 1**

**2 0 1 7**

( November )

# ASSAMESE

( Major )

Course : 301

( ভাষাবিজ্ঞানৰ প্ৰাথমিক জ্ঞান )

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভাষাৰ এটা সংজ্ঞা দাঙি ধৰাঁ। ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰাঁ। ৩+১২=১৫

অথবা

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) উপভাষা

(২) ৰাষ্ট্ৰভাষা

(৩) সংযোগী ভাষা

২। তলৰ যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭×২=১৪

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান পদ্ধতি আৰু কথিত ভাষাৰ অধ্যয়ন

(খ) প্ৰয়োগ ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ

(গ) তুলনামূলক ভাষাবিজ্ঞান আৰু বৈপৰীত্যমূলক ভাষাবিজ্ঞানসন্মত অধ্যয়নৰ পাৰ্থক্য বিচাৰ

৩। (ক) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞানৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) ৰূপতত্ত্ব কাক বোলে? ৰূপতত্ত্বই সামৰি লোৱা পৰিসৰৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ৩+১২=১৫

৪। আলোচনা কৰাঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) ভাষাৰ আকৃতিমূলক বৰ্গীকৰণ আৰু ইয়াৰ প্ৰকাৰ

(খ) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ বৈশিষ্ট্য

(গ) ভাৰতীয় আৰ্যভাষাৰ পৰিচয়

৫। চমুকৈ লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰৰ ভাষা চিন্তা

(খ) ভাৰতত ভাষা চিন্তাৰ আৰম্ভণি

(গ) অসমত ভাষাবৈজ্ঞানিক চিন্তা

(ঘ) অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ অধ্যয়ন

৬। চমু উত্তৰ দিয়াঁ : ১×৭=৭

(ক) প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই লিখা বড়ো ভাষা সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখাঁ।

(খ) "গ্ৰীক আৰু ৰোমৰ ঐক্যৰ দীৰ্ঘদিনীয়া ফল।"

এই উক্তিটো কোনজন পাশ্চাত্য ভাষাবিজ্ঞানীয়ে কৈছিল?

(গ) পাণিনিৰ ব্যাকৰণখনক কোনজন ভাষাবিজ্ঞানীয়ে 'মানৱ বুদ্ধিমত্তাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন' বুলি অভিহিত কৰিছে?

(ঘ) 'আধুনিক ভাষাবিজ্ঞান পৰিচয়' শীৰ্ষক গ্ৰন্থখনৰ লেখকজনৰ নাম লিখাঁ।

(ঙ) *Aspects of the Theory of Syntax* গ্ৰন্থৰ প্ৰণেতাজনৰ নাম লিখাঁ।

(চ) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ অনুবাদকজনৰ নাম লিখাঁ।

(ছ) নাথান ব্ৰাউনে লিখা ব্যাকৰণখনৰ নাম লিখাঁ।

★★★

**3 SEM TDC ASM M 2**

**2 0 1 7**

( November )

ASSAMESE

( Major )

Course : 302

**( অসমীয়া কবিতাৰ অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) প্ৰত্ন অসমীয়া ভাষাৰ লিখিত নিদৰ্শন পোনপ্ৰথমে কোনখন পুথিত লাভ কৰিছিল ?

(খ) 'শূন্যপুৰাণ' কাৰ দ্বাৰা ৰচিত ?

(গ) 'বৰছা কুঁৱৰী' তোমাৰ পাঠ্য কোনটো কবিতাৰ লগত জড়িত ?

(ঘ) "মাকতকৈ জীয়েক কাজী
ঢেঁকী থোৱালৈ বাটে পাঁজি।"

পংক্তি দুটা কোনটো কবিতাৰ অন্তৰ্গত ?

(ঙ) শংকৰদেৱে 'অপ্ৰমাদী কবি' বুলি আখ্যা দিয়া কবিগৰাকী কোন ?

(চ) নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(ছ) 'হে অৰণ্য হে মহানগৰ' কোনজন কবিৰ কাব্যগ্ৰন্থ ?

(জ) যাজ্ঞসেনী কোন ?

২। (ক) প্ৰাক্‌শংকৰী যুগৰ কাব্য-সাহিত্যৰ এটি পৰিচয়মূলক বিশ্লেষণ আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) ৰোমাণ্টিক যুগৰ কবিতাৰ বিশেষত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ।

৩। (ক) জুনাগীতৰ এটি পৰিচয়মূলক টোকা লিখি 'কপাহৰ জুনা' কবিতাটোৰ মূল কথাখিনি গদ্য-ভাষাৰে লিখাঁ। ৪+১০=১৪

*অথবা*

(খ) 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত'ৰ বিষয়বস্তুৰ এটি আভাস দাঙি ধৰাঁ। ১৪

৪। (ক) 'সুন্দৰাকাণ্ড'ৰ কাব্যখণ্ডত প্ৰকাশিত প্ৰকৃতি-চিত্ৰণ আৰু নগৰৰ বৰ্ণনা সম্পৰ্কে বিৱৰি লিখাঁ। ৭+৭=১৪

*অথবা*

(খ) 'খেদ' নামৰ কবিতাটোত প্ৰকাশ পোৱা কবিৰ অনুশোচনা সম্পৰ্কে আলোচনা কৰাঁ। ১৪

৫। (ক) 'একুৰা জুই' কবিতাটোৰ মাজত ফুটি উঠা কবিৰ জাতীয়তাবাদী স্বদেশপ্রেমৰ বিষয়ে এটি টোকা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) 'চিৰচেনেহী মোৰ ভাষাজননী' কবিতাটোৰ ভাৱাৰ্থ সহজ ভাষাৰে লিখাঁ।

৬। (ক) প্রতীকধর্মী কবিতা হিচাপে 'সমুদ্রভীতি' কবিতাটোৰ মূল ভাৱ লিখাঁ। লগতে চিত্রকল্পৰ প্রয়োগ সম্পর্কে চমুকৈ লিখাঁ। ৮+৬=১৪

*অথবা*

(খ) নৱকান্ত বৰুৱাৰ কবি-পৰিচয় দাঙি ধৰি 'ইয়াত নদী আছিল' কবিতাটিৰ আলমত আধুনিক কবিতাৰ বৈশিষ্ট্য বিচাৰ কৰাঁ। ৪+১০=১৪

★★★